# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 20-06-2025
**Time :** 1800 HRS

# *Assamese Evening Bulletin*
## Headlines
**--------------------**

শিৱসাগৰ জিলাৰ ৰুদ্ৰসাগৰৰ ১৪৭ নম্বৰ তৈল খাদটো তেল আৰু প্ৰাকৃতিক গেছ নিগম অৰ্থাৎ অ' এন জি চিয়ে স্থায়ীভাৱে  বন্ধ কৰি দিয়াৰ সিদ্ধান্ত লৈছে। ইতিমধ্যে গেছৰ চাপ হ্ৰাস কৰি ৰিগটোৰ গেছ অন্য কুপলৈ নিয়াৰ প্ৰচেষ্টা আৰম্ভ হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি দিছপুৰৰ লোকসেৱা ভৱনত এখন সংবাদমেলত কয়, যে বিগত ৮ দিন ধৰি অ' এন জি চিয়ে একাধিক পদ্ধতিৰ ব্যৱহাৰেৰে গেছ নিৰ্গমন ৰোধ কৰিবলৈ চেষ্টা কৰি আহিছে। অ' এন জি চিয়ে গেছ নিৰ্গমনৰ সুৰুঙাটো ঢাকিবলৈ অধিক সুৰক্ষিত কৌশল প্ৰয়োগ কৰিছে আৰু ইয়াৰে প্ৰায় ৫০ শতাংশ কাম ইতিমধ্যে সম্পূৰ্ণ হৈছে বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে। পৰিস্থিতি নিয়ন্ত্ৰণত সহযোগিতা আগবঢ়োৱাৰ বাবে আমেৰিকাৰ এটা তিনিজনীয়া বিশেষজ্ঞ দল আজি সন্ধিয়া সেই স্থান উপস্থিত হৈছেহি।

00000

অসমৰ জাতীয় জীৱনৰ প্ৰাতঃস্মৰণীয় পুৰুষ কলাগুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ ৫৭ সংখ্যক স্মৃতি দিৱস আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত বৰ্ণাঢ্য কাৰ্যসূচীৰে পালন কৰা হয়। স্বাধীনতা সংগ্ৰামৰ পৰা আৰম্ভ কৰি শিল্প, সাহিত্য, সংস্কৃতি আৰু বৌদ্ধিক ক্ষেত্ৰলৈ ৰাভাই অনবদ্য অৱদান আগবঢ়াই থৈ গৈছে। তেওঁৰ সংগ্ৰামী জীৱনাদৰ্শ আৰু সৃষ্টিৰাজীয়ে প্ৰতিগৰাকী অসমীয়াক চিৰদিন অনুপ্ৰাণিত কৰি আহিছে।

তিনিটা ৰাষ্ট্ৰীয় পৰ্যায়ৰ বঁটাৰ ভিতৰত বিশিষ্ট সংস্কৃত পণ্ডিত, গৱেষক, শিক্ষাবিদ ডঃ থানেশ্বৰ শৰ্মালৈ **শ্ৰীশ্ৰীমাধৱদেৱ বঁটা**, বিশিষ্ট কবি সাহিত্যিক ধনেশ্বৰ ইংতিলৈ **কালীচৰণ ব্ৰহ্ম বঁটা** আৰু সিন্দূৰ অভিযানত শ্বহীদ হোৱা মণিপুৰৰ বীৰ জোৱান দীপক চিংগাখামলৈ **বীৰ চিলাৰায় বঁটা** আগবঢ়োৱা হৈছে।

ৰাভা দিৱস উপলক্ষে আজি অখিল ভাৰতীয় বিদ্যাৰ্থী পৰিষদ, শোণিতপুৰ জিলা আৰু তেজপুৰ নগৰ শাখাৰ উদ্যোগত জিলাখনৰ কৃতি ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনোৱা হয়। তেজপুৰৰ দৰং মহাবিদ্যালয়ত এই উপলক্ষে আয়োজিত কাৰ্যসূচীত এহেজাৰতকৈও অধিক ছাত্ৰ-ছাত্ৰীয়ে অংশগ্ৰহণ কৰে। তেজপুৰত থকা কলাগুৰুৰ সমাধিক্ষেত্ৰতো ৰাভা দিৱস পালন কৰা হয়। অনুষ্ঠানত তেজপুৰৰ বিধায়ক তথা কলাগুৰুৰ পুত্ৰ পৃথ্বিৰাজ ৰাভা উপস্থিত থাকে।

ডিব্ৰুগড় সাহিত্য সভা, মানকটা শাখা সাহিত্য সভা, অসম গণ পৰিষদ ডিব্ৰুগড় জিলা সমিতি, অনিৰুদ্ধ দেৱ কনিষ্ঠ মহাবিদ্যালয়কে ধৰি বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে আজি অসমৰ জাতীয় জীৱনৰ পুৰোধা ব্যক্তিগৰাকীৰ স্মৃতিত বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰে। জিলাখনত সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত জিলা আয়ুক্ত কাৰ্যালয়ত

বিষ্ণু ৰাভা দিৱস উদযাপন কৰা হয়। ডিব্ৰুগড় জিলা সাংস্কৃতিক উন্নয়ন বিষয়া সুদৰ্শন বৰাই আঁত ধৰা এই দিৱসৰ কাৰ্যসূচীত জিলাখনৰ বিশিষ্ট সংগীত শিল্পী ভূৱন গগৈয়ে বৰেণ্য শিল্পীগৰাকীৰ সৃষ্টিৰাজীক আলোকপাত কৰে।

চৰাইদেউ জিলাতো দিনজোৰা কাৰ্যসূচীৰে ৰাভা দিৱস পালন কৰা হয়। সোণাৰীৰ ভাগৱতী প্ৰসাদ বৰুৱা সোঁৰৰণী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত আয়োজিত অনুষ্ঠানত সোণাৰী সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ কোঁৱৰে অংশ লয়। বিধায়কগৰাকীয়ে অসমীয়া শিল্প-সংস্কৃতিৰ ভঁৰাল চহকী কৰি যোৱা বিষ্ণু ৰাভাৰ কালজয়ী গীতসমূহৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত ব্যৱস্থা ল'বলৈ যুৱ চামক আহ্বান জনায়।

ধেমাজিৰ বৰদলনি জ্যোতি প্ৰকাশ সংঘই আজি কেন্দ্ৰীয়ভাৱে ৰাভা দিৱস উদযাপন কৰে। দিনৰ ভাগত ছাত্ৰ-ছাত্ৰীসকলৰ মাজত বিভিন্ন প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়।

০০০০০

বিত্তমন্ত্ৰী অজন্তা নেওগে আজি গোলাঘাট জিলাত ধৰতি আবা জনজাতীয় গ্ৰাম্য উৎকৰ্ষ অভিযান নামৰ আঁচনিখনৰ শুভাৰম্ভ কৰে। গমাৰিগুৰি উন্নয়নখণ্ডৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত সভাখনত সজাগতা সৃষ্টিৰ জৰিয়তে অসমৰ চুকে-কোণে ৬ হাজাৰ জনজাতীয় গাওঁত ৰাস্তা ঘাট, বিদ্যুৎ সংযোগ, অঙ্গনবাড়ী কেন্দ্ৰৰ নিৰ্মাণ, বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ বাবে আৱাসগৃহ নিৰ্মাণকে ধৰি ব্যক্তিগত পৰ্যায়ত যাতে প্ৰত্যেকখন আঁচনিৰ সুফল লাভ কৰিব পাৰে তাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰাটোৱে এই আঁচনিখনৰ মূল উদ্দেশ্য বুলি মন্ত্ৰী শ্ৰীমতী নেওগে কয়। আজিৰ এই সজাগতা সভাত গোলাঘাট জিলাৰ জিলা আয়ুক্ত পুলক মহন্ত আৰু উন্নয়ন খণ্ডৰ সংশ্লিষ্ট বিভাগৰ বিষয়াসকলে ৰাইজক আঁচনিখন সন্দৰ্ভত অৱগত কৰে।

০০০০০

লখিমপুৰ লোকসভা সমষ্টিৰ সাংসদ প্ৰদান বৰুৱাই আজি ধেমাজী আৰু মাছখোৱাত অনুষ্ঠিত দুখনকৈ সভাত জিলাখনত ৰূপায়িত চৰকাৰৰ আঁচনিসমূহ সন্দৰ্ভত বিজেপিৰ কাৰ্যকৰ্তাসকলৰ পৰা বুজ লয়। সাংসদগৰাকীয়ে জিলাখনত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ উন্নয়নমূলক আঁচনিসমূহৰ সঠিক ৰূপায়ণৰ বাবে দলীয় কাৰ্যকৰ্তাসকলক সক্ৰিয় সহায়-সহযোগিতা আগবঢ়াবলৈ আহ্বান জনায়। তেওঁ লগতে জিলাখনত দলটোৰ সাংগঠনিক দিশসমূহৰ বিষয়েও আলোচনা কৰে। **সেৱাই সংগঠন** মূল মন্ত্ৰক সৰোগত কৰি ৰাষ্ট্ৰ নিৰ্মাণৰ প্ৰতি সমৰ্পিত হোৱাৰ লগতে দলৰ সাংগঠনিক ভেটি সুদৃঢ় কৰিবলৈও তেওঁ কাৰ্যকৰ্তাসকলক আহ্বান জনায়। সাংসদ বৰুৱাই চৰকাৰৰ জনকল্যানমুখী আঁচনিসমূহ সঠিক ৰূপত জনতাৰ কাষলৈ লৈ যাবলৈ সকলোকে অনুৰোধ কৰে।

০০০০০

গোলাঘাট জিলাৰ মেৰাপানী সীমান্তত আজি বিয়লি গোলাঘাট আৰক্ষীয়ে মেৰাপানী আৰক্ষী আৰু সীমাত নিয়োজিত ১৪২ নম্বৰ চি আৰ পি এফৰ সহযোগত অভিযান চলাই বুজন পৰিমাণৰ হেৰইন জব্দ কৰে। নাগালেণ্ডৰ কহিমাৰ পৰা গোলাঘাটলৈ আহি থকা এখন বাহনৰ পৰা এই হেৰইন জব্দ কৰাৰ লগতে সৰবৰাহৰ সৈতে জড়িত ইন্দ্ৰজিত ডেকা আৰু ৰাজ্জাক আলী নামৰ দুজন সৰবৰাহকাৰীক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰে।

০০০০০

বিশ্বৰ বিভিন্ন প্ৰান্তত কাইলৈ একাদশ আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উদযাপন কৰা হ'ব। অসমতো যোগ দিৱসৰ সৈতে সংগতি ৰাখি বিভিন্ন কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। বাক্সা জিলাৰ শালবাৰী মহাবিদ্যালয়ৰ খেলপথাৰত কাইলৈ পুৱা ৬ বজাত হ'বলগীয়া ৰাজ্য চৰকাৰৰ কেন্দ্ৰীয় কাৰ্যসূচীত মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই

অংশগ্ৰহণ কৰিব। উল্লেখযোগ্য যে, ৰাজ্যিক বিজেপিৰ ৪৩৪ টা সাংগঠনিক মণ্ডলত কাইলৈ যোগ দিৱসৰ আয়োজন কৰা হৈছে। বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়াই গুৱাহাটী মহানগৰৰ ৰাজধানী মণ্ডল, ৰাজ্যিক সাংগঠনিক সাধাৰণ সম্পাদক জি আৰ ৰবীন্দ্ৰ ৰাজুৱে দিছপুৰ মণ্ডলত তথা অন্যান্য মন্ত্ৰী, সাংসদ, বিধায়ক আৰু জ্যেষ্ঠ নেতৃবৃন্দই ভিন ভিন স্থানত যোগ দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। হোজাই জিলাত এই দিৱস উদযাপনৰ বাবে সকলো প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। জিলা প্ৰশাসনৰ উদ্যোগত আৰু লাচিত যোগ কেন্দ্ৰৰ সহযোগত এই দিৱস পালন কৰা হ'ব।

ইপিনে, প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অন্ধ্ৰপ্ৰদেশৰ বিশাখাপট্টমত থকা আৰ কে বীচচত যোগ দিৱসৰ কেন্দ্ৰীয় কাৰ্যসূচীত অংশগ্ৰহণ কৰিব। পুৱা চাৰে ৫ বজাৰ পৰা হ'বলগীয়া এই কাৰ্যসূচীত প্ৰধানমন্ত্ৰীৰ সৈতে ৩লক্ষাধিক অংশগ্ৰহণকাৰীয়ে যোগাভ্যাস কৰিব।

ooooo

সমাপ্ত